**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 19-JUNE-2026
**Time :** 12:05 HRS

***Assamese 12.05 PM Bulletin***

——————————————

HEADLINES

১। প্ৰধানমন্ত্ৰী বিকশিত ভাৰত ৰোজগাৰ যোজনাৰ অধীনত আজি দুহেজাৰ ৪০০ কোটি টকাৰ উদগনিমূলক ধনৰাশি মুকলি। অসমতো এই উপলক্ষে কাৰ্যসূচীৰ আয়োজন।

২। এন ডি এ চৰকাৰৰ ১২ বছৰীয়া কাৰ্যকালৰ পূৰ্তিৰ সৈতে সংগতি ৰাখি ৰাজ্যৰ বিভিন্ন জিলাত জনকল্যাণ শিবিৰ অনুষ্ঠিত।

৩। সশস্ত্ৰ সীমাবল আৰু বিহাৰ আৰক্ষীৰ যুটীয়া অভিযানত মানৱ সৰবৰাহকাৰীৰ কৱলৰ পৰা ১১৫ জন যুৱক-যুৱতীক উদ্ধাৰ।

*আৰু*

৪। বিশ্বকাপ ফুটবল প্ৰতিযোগিতাত দক্ষিণ কোৰিয়াক ১-০ গ'লত পৰাস্ত কৰি মেক্সিকোৰ প্ৰথমখন দেশ হিচাপে নকআউট পৰ্যায়ত প্ৰৱেশ।

০০০০০০

প্ৰধানমন্ত্ৰী বিকশিত ভাৰত ৰোজগাৰ যোজনাৰ অধীনত আজি নতুন দিল্লীৰ বিজ্ঞান ভৱনত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দুহেজাৰ ৪০০ কোটি টকাৰ উদগনিমূলক ধনৰাশি মুকলি কৰিব। দেশৰ প্ৰায় ২০০ টা স্থানত আজি এই উপলক্ষে আঞ্চলিক পৰ্যায়ৰ অনুষ্ঠানৰ আয়োজন কৰা হৈছে। গুৱাহাটীৰ শ্ৰীমন্ত শংকৰদেৱ কলাক্ষেত্ৰৰ শ্ৰী শ্ৰী দামোদৰদেৱ আন্তঃৰাষ্ট্ৰীয় প্ৰেক্ষাগৃহ আৰু আই আই টি গুৱাহাটীৰ মিনি প্ৰেক্ষাগৃহত এই অনুষ্ঠান অনুষ্ঠিত হ'ব। তদুপৰি তিনিচুকীয়া উন্নয়ন প্ৰাধিকৰণৰ সাংস্কৃতিক কেন্দ্ৰতো বিকশিত ভাৰত ৰোজগাৰ যোজনাৰ উদগনিমূলক ধনৰাশি প্ৰদান উপলক্ষে অনুষ্ঠান অনুষ্ঠিত হ'ব। এই অনুষ্ঠানসমূহত নিয়োগকৰ্তা, কৰ্মচাৰী, ঔদ্যোগিক প্ৰতিনিধি তথা অন্যান্য অংশীদাৰসকলে অংশ ল'ব। গুৱাহাটীত আয়োজিত অনুষ্ঠানত শ্ৰমিক কল্যাণ আৰু চাহ জনজাতি তথা আদিবাসী কল্যাণ বিভাগৰ মন্ত্ৰী ৰামেশ্বৰ তেলী, হস্ততাঁত বস্ত্ৰ শিল্প আদি বিভাগৰ মন্ত্ৰী বিশ্বজিৎ দৈমাৰী, সাংসদ বিজুলী কলিতা মেধিকে ধৰি অনান্য ব্যক্তিসকল উপস্থিত থাকিব।

উল্লেখযোগ্য যে প্ৰধানমন্ত্ৰী বিকশিত ভাৰত ৰোজগাৰ যোজনাই দেশত ১৫ লাখ নিয়োগ সৃষ্টিৰ ক্ষেত্ৰত সহায় কৰিছে। কৰ্মচাৰী আৰু নিয়োগকৰ্তা দুয়োপক্ষকে আনুষ্ঠানিক অৰ্থ ব্যৱস্থাত অংশগ্ৰহণৰ প্ৰতি উৎসাহিত কৰাৰ বাবে এই আঁচনিখন ৰূপায়ণ কৰা হৈছে। ইয়াৰ অধীনত প্ৰথমবাৰৰ বাবে নিযুক্তি লাভ কৰাসকলক ১৫ হাজাৰ টকাকৈ প্ৰদান কৰা হয়। তদুপৰি অতিৰিক্ত নিয়োগ সৃষ্টি কৰা নিয়োগকৰ্তাসকলক প্ৰতিমাহে প্ৰতিজন অতিৰিক্ত কৰ্মচাৰীৰ বাবে ৩,০০০ টকাকৈ উদগনিমূলক ধন প্ৰদান কৰা হয়। বিগত বৰ্ষৰ ১ আগষ্টত ৰূপায়ণ কৰা এই আঁচনিৰ জৰিয়তে দুবছৰৰ ভিতৰত দেশত ৩ কোটি ৫০ লাখৰো অধিক নিয়োগ সৃষ্টিৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী নেতৃত্বত এন ডি এ চৰকাৰৰ ১২ বছৰীয়া কাৰ্যকালৰ পূৰ্তিৰ সৈতে সংগতি ৰাখি ৰাজ্যৰ বিভিন্ন জিলাত জনকল্যাণ শিবিৰ অনুষ্ঠিত হৈছে। বাক্সা জিলাৰ আদলবাৰী সমূহীয়া ভৱনত কালিৰেপৰা তিনিদিনীয়াকৈ জনকল্যাণ শিবিৰৰ আয়োজন কৰা হৈছে। চৰকাৰৰ জনকল্যাণমূলক আঁচনিসমূহৰ সুবিধা যাতে সকলো শ্ৰেণীৰ লোকে লাভ কৰিব পাৰে, এই উদ্দেশ্যেৰে জিলাখনৰ পাঁচটা উন্নয়ন খণ্ডক সামৰি এই শিবিৰ অনুষ্ঠিত হৈছে। কাৰ্যসূচীত অংশ লৈ জিলা আয়ুক্ত কিমনেই ছাংচনে কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ কল্যাণকামী পদক্ষেপ বিশেষকৈ মহিলাকেন্দ্ৰিক আঁচনি আৰু সামাজিক সুৰক্ষাৰ সৈতে জড়িত কাৰ্যসূচীসমূহত আলোকপাত কৰে। অনুষ্ঠানত বিধায়ক মনেশ্বৰ ব্ৰহ্ম, থানেশ্বৰ বসুমতাৰীকে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

যোৰহাট জিলাৰ তিতাবৰ খণ্ড উন্নয়ন বিষয়াৰ কাৰ্যালয় সভাকক্ষত আয়োজিত জনকল্যাণ শিবিৰ আজি তিতাবৰৰ বিধায়ক ধীৰাজ গোৱালাই মুকলি কৰে। অনুষ্ঠানত চৰকাৰী আঁচনিসমূহৰ সুবিধা প্ৰান্তীয় অঞ্চলৰ লোকেও লাভ কৰাটো নিশ্চিত কৰা, কল্যাণকামী পদক্ষেপসমূহৰ বিষয়ে সজাগতা বৃদ্ধিৰ ক্ষেত্ৰত গুৰুত্ব আৰোপ কৰা হয়।

০০০০০০

ৰাষ্ট্ৰীয় মানৱ অধিকাৰ আয়োগৰ নিৰ্দেশনাত তেজপুৰৰ সশস্ত্ৰ সীমাবল আৰু বিহাৰ আৰক্ষীয়ে চলোৱা যুটীয়া অভিযানত মানৱ সৰবৰাহকাৰীৰ কবলৰ পৰা ১১৫ জন যুৱক-যুৱতীক উদ্ধাৰ কৰা হৈছে। ইয়াৰ ভিতৰত কেইবাগৰাকীও নাবালিকাকে ধৰি ৪৮ গৰাকী যুৱতী আৰু ৬৭ জন যুৱক আছে। চৰকাৰী চাকৰিৰ ভুৱা প্ৰতিশ্ৰুতিৰে অসমৰ পৰা বিহাৰলৈ নিয়াৰ পৰৱৰ্তী সময়ত এই যুৱক-যুৱতীসকলক বন্দী কৰি ৰখা হৈছিল। মঙলদৈৰ বেজাপাৰাৰ এছ্ এছ্ বিৰ ক্ষেত্ৰীয় কাৰ্যালয়ৰ চোৰাংচোৱা শাখা আৰু মানৱ সৰবৰাহ বিৰোধী গোটৰ মুৰব্বী পৰিদৰ্শক মনোজ কুমাৰ শৰ্মাই এই তথ্য প্ৰকাশ কৰিছে। বিষয়াগৰাকীয়ে সদৰি কৰা অনুসৰি মানৱ সৰবৰাহ চক্ৰটোৱে তামুলপুৰ জিলাৰ অন্তৰ্গত ভাৰত-ভূটান সীমান্ত অঞ্চলত বাস কৰা দৰিদ্ৰ পৰিয়ালৰ যুৱক-যুৱতীক লক্ষ্য কৰি লৈছিল। চক্ৰটোৱে তেওঁলোকক কৃষি বিভাগত চৰকাৰী চাকৰি দিয়াৰ প্ৰতিশ্ৰুতিৰে বিহাৰলৈ লৈ গৈ আৱদ্ধ কৰি ৰাখিছিল।

০০০০০০

সদৌ অসম ছাত্ৰ সন্থাৰ প্ৰত্যাশা প্ৰকল্পৰ অধীনত চলিত বৰ্ষৰ সৰ্বভাৰতীয় অসামৰিক সেৱাৰ সংযুক্ত প্ৰতিযোগিতামূলক পৰীক্ষাৰ প্ৰাৰম্ভিক পৰ্যায়ত উত্তীৰ্ণ অসমৰ ২৫ গৰাকী পৰীক্ষাৰ্থীলৈ ৫০ হাজাৰ টকাকৈ আগবঢ়োৱা জলপানিৰ বাবে আবেদনৰ প্ৰক্ৰিয়া মুকলি কৰা হৈছে। ছাত্ৰ সন্থাৰ সভাপতি উৎপল শৰ্মা আৰু সাধাৰণ সম্পাদক সমীৰণ ফুকনে কালি এটা বিবৃতিযোগে কয়, যে এই বৰ্ষৰ ইউ পি এছ্ চিৰ প্ৰাৰম্ভিক পৰীক্ষাত উত্তীৰ্ণ হোৱা অসমৰ ২৫ গৰাকী পৰীক্ষাৰ্থীক মূল আৰু মৌখিক পৰীক্ষাৰ প্ৰস্তুতিৰ বাবে ছাত্ৰ সন্থাই ৫০ হাজাৰ টকাকৈ জলপানি আগবঢ়াব। এই জলপানি লাভ কৰিবলৈ পৰীক্ষাৰ্থীসকলক ছাত্ৰসন্থাৰ ৱেবছাইঠ www. aasu. org. in ত আবেদন কৰিবলৈ আহ্বান জনোৱা হৈছে। ২৪ জুনৰ নিশা ১২ বজালৈ এই আবেদন প্ৰক্ৰিয়া চলি থাকি।

০০০০০০

ৰাজ্য চৰকাৰ আৰু কামৰূপ মহানগৰ জিলা প্ৰশাসনে অহা সোমবাৰৰ পৰা শক্তিপীঠ কামাখ্যা ধামত হ'বলগীয়া অম্বুবাচী মেলাৰ প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ কৰিছে। কামৰূপ মহানগৰ জিলাৰ আয়ুক্ত স্বপ্নীল পালে কালি এখন সংবাদমেলত অম্বুবাচী মেলাৰ সময়ত কামাখ্যা মন্দিৰলৈ আগমন হ'বলগীয়া হাজাৰ হাজাৰ তীৰ্থযাত্ৰীৰ বাবে গ্ৰহণ কৰা ব্যৱস্থা সম্পৰ্কে বিস্তৃতভাৱে ব্যাখ্যা কৰে। তেওঁ কয়, যে অম্বুবাচী মেলালৈ আহিবলগীয়া ভক্তসকলৰ বাবে কামাখ্যা

ৰে'ল ষ্টেচন আৰু পাণ্ডু বন্দৰত দুটা শিবিৰ স্থাপন কৰা হৈছে। এই শিবিৰসমূহত ভক্তৰ বাবে থকা-খোৱা, চিকিৎসা, অনাময় আদিৰ সুব্যৱস্থা কৰা হৈছে বুলি তেওঁ উল্লেখ কৰে। তেওঁ লগতে কামাখ্যা ৰে'ল ষ্টেচন আৰু পাণ্ডু বন্দৰত স্থাপন কৰা শিবিৰৰ মাজত যাতায়াতৰ বাবে প্ৰশাসনৰ ফালৰ পৰা অসম ৰাজ্যিক পৰিবহন নিগমৰ বাছৰ ব্যৱস্থা থাকিব বুলি জানিবলৈ দিয়ে। ইয়াৰ বিপৰীতে শিবিৰৰ পৰা মন্দিৰলৈ যোৱাৰ বাবে কোনো ধৰণৰ পৰিবহন ব্যৱস্থা নাথাকিব। ভক্তসকলৰ সুবিধাৰ্থে নাৰ্চাৰী পইণ্ট, নীলাচল পাহাৰৰ ওপৰত, মন্দিৰৰ পশ্চিম প্ৰবেশ দ্বাৰৰ সমীপত আৰু প্ৰশান্তি ল'জৰ ওচৰত মুঠ চাৰিটা নিয়ন্ত্ৰণ কক্ষ স্থাপন কৰা হৈছে বুলি জিলা আয়ুক্তগৰাকীয়ে প্ৰকাশ কৰে। তেওঁ কয় যে নিয়ন্ত্ৰণ কক্ষসমূহত জ্যেষ্ঠ চৰকাৰী বিষয়া আৰু বিভিন্ন বিভাগৰ লোকসকল থকাৰ উপৰি ৭০০-৮০০ মিটাৰৰ দূৰে দূৰে সাতটা স্থানত স্থাপন কৰা হেল্পডেস্কত তিনিজনকৈ বিষয়া থাকিব। ভক্তসকলৰ সুবিধাৰ্থে মন্দিৰৰ তলৰ পৰা ওপৰলৈ দলিচা ব্যৱস্থা থাকিব আৰু গৰমৰ প্ৰতি লক্ষ্য ৰাখি জল বোৰ্ডৰ পাইপেৰে পথৰ ওপৰত পানী ছটিওৱাৰো ব্যৱস্থা কৰা হ'ব বুলি জিলা আয়ুক্তগৰাকীয়ে জানিবলৈ দিয়ে।

গুৱাহাটী যানবাহন আৰক্ষীয়ে অম্বুবাচী মেলাৰ বাবে কেতবোৰ বিশেষ নিয়ম প্ৰৱৰ্তন কৰিছে। আৰক্ষীৰ যানবাহন শাখাৰ উপ-আয়ুক্ত জয়ন্ত সাৰথি বৰাই কালি এখন সংবাদমেলত এই বিষয়ে সদৰি কৰি এইদৰে কয়-

*(বাইট ঃ জয়ন্ত সাৰথি বৰা)*

০০০০০০

গুৱাহাটীৰ মণিৰাম দেৱান বাণিজ্য কেন্দ্ৰত কালিৰে পৰা গোলকীয় সৌৰ প্ৰদৰ্শনী অসম আৰু উত্তৰ-পূব ভাৰত তথা গোলকীয় বেটাৰী প্ৰদৰ্শনীৰ প্ৰথম সংস্কৰণ অনুষ্ঠিত হৈছে। প্ৰদৰ্শনীত উত্তৰ-পূৰ্বাঞ্চলৰ বিভিন্ন ৰাজ্য আৰু চুবুৰীয়া অঞ্চলৰ পাঁচ হাজাৰৰো অধিক ব্যৱসায়ী প্ৰতিষ্ঠানে অংশগ্ৰহণ কৰিছে। সৌৰ শক্তি আৰু বেটাৰী সঞ্চয় ব্যৱস্থা বিষয়ক এই প্ৰদৰ্শনীৰ প্ৰথম দিনা কালি খণ্ডটোৰ সৈতে জড়িত উদ্যোগপতি, ই পি চি প্ৰতিষ্ঠান, নীতি প্ৰণেতা, বিনিয়োগকাৰী, চৰকাৰী বিষয়া, বিদ্যুৎ বিতৰণ সংস্থা আৰু প্ৰযুক্তি বিশেষজ্ঞসকল একেখন মঞ্চত সমবেত হয়। প্ৰদৰ্শনীত আদানী, শক্তিপাম্পছ, মাইক্ৰ'টেক, এক্সাইড আদি কোম্পানীয়ে স্মাৰ্ট শক্তি ব্যৱস্থা আৰু নিকা শক্তি সমাধানৰ আধুনিক প্ৰযুক্তি প্ৰদৰ্শন কৰে। অনুষ্ঠানত নৱীকৰণযোগ্য শক্তি উৎকৰ্ষ বঁটাৰ জৰিয়তে দেশৰ বিভিন্ন কোম্পানী, উদ্যোগপতি, উদ্ভাৱক আৰু পেছাদাৰীসকলক এই খণ্ডলৈ আগবঢ়োৱা বিশেষ অৱদানৰ বাবে সন্মানিত কৰা হয়। প্ৰদৰ্শনীৰ আজি সামৰণি পৰিব।

০০০০০০

জোৰাম পিপলছ্ মুভমেণ্ট দলৰ প্ৰাৰ্থী কে লাললুৱাংকিমাই মিজোৰামৰ একমাত্ৰ ৰাজ্যসভাৰ আসনখনৰ বাবে নিৰ্বাচিত হৈছে। কালি আইজলৰ বিধানসভাত অনুষ্ঠিত ৰাজ্য সভা নিৰ্বাচনত তেওঁ মিজো নেচনেল ফ্ৰণ্টৰ প্ৰাৰ্থী জোথানছাংগি মাৰক ১৬ টা ভোটত পৰাস্ত কৰে। ৰাজ্যখনৰ বিধানসভাৰ মুঠ ৪০ গৰাকী সদস্যৰ ভিতৰত ৩৬ জনে ভোটদান কৰে আৰু ইয়াৰে লাললুৱাংকিমাই ২৬ টা ভোট লাভ কৰাৰ বিপৰীতে জোথান ছাংগিয়ে ১০ টা ভোট লাভ কৰে।

০০০০০০

তামুলপুৰ জিলাৰ কাউৰবাহা আৰক্ষী পহৰাচকীৰ অন্তৰ্গত খন্দিকৰ ৰে'লৱে ক্ৰ'ছিঙৰ সমীপৰ ৰঙিয়া-নাগ্ৰীজুলি পথত যোৱানিশা সংঘটিত এটা পথ দুৰ্ঘটনাত একেটা পৰিয়ালৰ তিনিজনকৈ কিশোৰ আৰু যুৱকৰ মৃত্যু হয়। ৰঙিয়া অভিমুখে গৈ থকা এখন মটৰ চাইকেলৰ সৈতে নাগ্ৰীজুলি দিশৰ পৰা তীব্ৰ বেগে আহি থকা এখন

চাৰিচকীয়া বাহনৰ মুখামুখি সংঘৰ্ষ হোৱাৰ ফলত মটৰ চাইকেলত অহা আৰোহীকেইজন গুৰুতৰভাৱে আহত হয়। আঘাতপ্ৰাপ্ত আটাইকেইজনকে কাউৰবাহা বি পি চি এইচ আৰু ৰঙিয়াৰ এখন ব্যক্তিগত হাস্পতাললৈ লৈ যোৱা হয় যদিও কৰ্তব্যৰত চিকিৎসকে তিনিওগৰাকীকে মৃত ঘোষণা কৰে। দুৰ্ঘটনাত প্ৰাণ হেৰুওৱা কিশোৰ-যুৱককেইজন হৈছে তামুলপুৰ জিলাৰ চিৰাখুন্দি গাঁৱৰ মাজৰুল চুলতান, জুবাইৰ হুছেইন আৰু চুলতান আলী। দুৰ্ঘটনা সংঘটিত কৰা চাৰিচকীয়া বাহনখনৰ চালক আৰু এগৰাকী লোকক আৰক্ষীয়ে আটক কৰিছে। মৃতদেহকেইটাক মৰণোত্তৰ পৰীক্ষাৰ অন্তত পৰিয়ালক গতাই দিয়া হ'ব বুলি আৰক্ষী সূত্ৰত প্ৰকাশ পাইছে।

০০০০০০

বিশ্বকাপ ফুটবল প্ৰতিযোগিতাত আজি পুৱা গুৱাডা লাজাৰা ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত দক্ষিণ কোৰিয়াক ১ - ০ গ'লত পৰাস্ত কৰি মেক্সিক'ই প্ৰথমখন দেশ হিচাপে নকআউট পৰ্যায়লৈ যোগ্যতা অৰ্জন কৰিছে। ইয়াৰ পূৰ্বে অনুষ্ঠিত আন এখন খেলত আজি কানাডাই কাটাৰক ৬-০ গ'লত পৰাস্ত কৰে।

০০০০০০

**সমাপ্ত**